Dr. Birendra Kumar Bhattacharyya Memorial Trust
ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য সোঁৱৰণী ন্যাস

## 'ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য সোঁৱৰণী বক্তৃতা অনুষ্ঠান'

## মুখ্য অতিথি, অসম সাহিত্য সভাৰ সভাপতি শ্ৰীৰংবং তেৰাং দেৱৰ ভাষণ

# ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ এটি বিৰল সান্নিধ্য

## (জন্মদিৱস উপলক্ষ্যে পঠিত)

অসমৰ বহু গৰাকী কবি সাহিত্যিকক লগ পোৱাৰ ইচ্ছা মোৰ হৃদয়ৰ গোপন কোণত সাঁচি থৈছিলোঁ। সেই সকলৰ ভিতৰৰে এগৰাকী প্ৰাণৰ সাহিত্যিক আছিল ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। আৱাহন, ৰামধেনুৰ পিছতেই সম্ভৱ 'নৱযুগ' নামৰ সাপ্তাহিক আলোচনীখনে 'নীলাচল'ৰ লগত সমানেই খোজ মিলাইছিল। আমি তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ। বিশ্ববিদ্যালয়লৈ অহাৰ আগৰে পৰাই 'নৱযুগ' কাকতখনে মোৰ মন কাঢ়ি নিছিল— অজানিতে। 'নৱযুগ'ত যদি মোৰ লেখা এটা কেনেবাকৈ প্ৰকাশ পায় কি হ'ব বাৰু? সেয়া আছিল মোৰ মনৰ প্ৰশ্ন। ইতিমধ্যে অৰুণাচলৰ লেখকৰ মনৰ সম্ভেদ পাইছিলো— ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু হোমেন বৰগোহাঞিৰ হিয়াৰ উমত সাৰ পাই উঠাৰ কথা। সেই সময়ত ড° মহেন্দ্ৰ বৰাৰ 'মণিদীপ' আৰু 'আমাৰ প্ৰতিনিধি'ৰ পাত কেইখিলাইও আমাৰ মন কাঢ়িছিল। আমাৰ মন কাঢ়ি নিয়াত 'অসমবাণী'য়েও কম জগৰ লগোৱা নাছিল। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'অসমীয়া'খন আমাৰ চকুত পৰা নাছিল।

হাইস্কুলীয়া জীৱনতেই অঙ্কুৰিত হোৱা লেখাৰ মনটোক বান্ধিব পৰা নাছিলো— এই কাকত কেইখনৰ লেখনিৰে মন মুহিব পৰা কথাবোৰ পঢ়ি। মোৰ পাহাৰখনলৈ মনত পৰিছিল, বাৰুকৈয়ে। যমুনা নৈৰ জলপ্ৰপাত 'শিলভেটা'লৈ মনত পৰিছিল— জলস্ৰোতৰ বিৰামহীন গতি আৰু শব্দৰ হোঁ-হোঁৱনিত সৃষ্টি হোৱা নান্দনিক ৰূপৰ কথা লিখি পেলাইছিলোঁ— এটি চুটি গল্প। নাম দিছিলোঁ— অতৃপ্ত প্ৰেতাত্মা। 'নৱযুগ' কাকতখনলৈ ডাকযোগে পঠিয়াইছিলোঁ— বুকুত ভয় আৰু আশংকাৰে। প্ৰশ্ন আহিছিল— 'ঈয়াৰুইংগম'ৰ লেখকে জানো 'নৱযুগ'ত স্থান দিব?

মোৰ মনৰ আশংকাৰ প্ৰশ্নৰ উত্তৰ পাইছিলো— ডাকযোগে পঠিয়াই দিয়া 'নৱযুগ'ৰ কপিটোত। 'অতৃপ্ত প্ৰেতাত্মা'ৰ পৰিৱৰ্তে 'প্ৰেতাত্মা' ৰূপত প্ৰকাশ পোৱা মোৰ প্ৰথম গল্পটো পাই আত্মহাৰা হৈ পৰিছিলোঁ— লংকাৰ মাটিত। মনতে কেতিয়াও সান্নিধ্য লাভ নকৰা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যলৈ মই শ্ৰদ্ধা জনাইছিলো— পাহাৰক ভাল পোৱা এগৰাকী লেখক বুলি।

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক দেখা কৰাৰ উৎকণ্ঠাত মই ৰ'ব পৰা নাছিলো। গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিষয়ত নাম লগাই লগ পাইছিলো গোলাঘাট চহৰৰ সাহিত্য সংস্কৃতিক ভালপোৱা সহপাঠী শ্ৰীকেশৱ চন্দ্ৰ শইকীয়াক। শ্ৰীশইকীয়াৰ সাহসক সাৰথি কৰি এদিন ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক দেখা কৰিছিলো,— 'সাদিনীয়া নৱযুগ'ৰ কাৰ্যালয়ত।

কটন কলেজৰ ছাত্ৰাবাসৰ বিপৰীতে থকা কিতাপৰ দোকান কেইখনৰ পিছফালে 'নৱযুগ'ৰ কাৰ্যালয়টো আছিল। তেনেই সৰু ঘৰ। বাঁহৰ বেৰ দিয়া পুৰণি ঘৰ। তাতেই বহি আছিল, মোৰ পৰম শ্ৰদ্ধাৰ কবি, গল্পকাৰ, ঔপন্যাসিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। পুৱাৰ বাতৰি কাকতৰ মাজত ড° ভট্টাচাৰ্য তেতিয়া ডুব গৈ আছিল। বন্ধু কেশৱ শইকীয়াই ড° ভট্টাচাৰ্যলৈ সেৱা জনাই পৰিচয় কৰাই দিছিল— 'প্ৰেতাত্মা'ৰ লেখক ৰংবং তেৰাং বুলি। ড° ভট্টাচাৰ্যই স্বাভাৱিক এটি মিঠা হাঁহিৰে (শব্দহীন হাঁহি) আদৰ জনাই বহিবলৈ দিছিল আৰু চাহকাপেৰে আমাক দুয়োজনক আপ্যায়িত কৰিছিল। চাহ খাই থাকোঁতে মিকিৰ পাহাৰৰ কথা সুধিছিল আৰু লেখা-মেলা কৰি যাবলৈ উপদেশ দিছিল। অসমৰ এগৰাকী লেখকক এনেদৰে লগ পোৱাটো মোৰ বাবে আছিল বিৰল সান্নিধ্য। আজি তেখেতৰ জন্ম দিৱসত সেই প্ৰথম সান্নিধ্যৰ কথা মনলৈ আহিছে আৰু লগতে মনত পৰিছে তেখেতৰ উপন্যাস 'মৃত্যুঞ্জয়'ৰ অমৰ বাক্যলৈ,— 'স্বাধীনতা পালে মানুহবোৰ ভাল হ'বনে?' সেই কথাৰ প্ৰসংগত ময়ো আজি ভাবিছোঁ, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জন্ম দিৱসে পাহাৰ আৰু ভৈয়ামৰ মানুহৰ মনৰ কুঁৱলি আঁতৰাবনে?

(ৰংবং তেৰাং)
সভাপতি
অসম সাহিত্য সভা

গুৱাহাটী
আৱৰ্ত ভৱন